

৩.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। স্নাতক মহলাৰ লোক প্ৰশাসন — ড° কৃপেশচন্দ্ৰ পাল, অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক।

২। স্নাতক লোক প্ৰশাসন — ড° নিৰু হাজৰিকা।

৩। লোক প্ৰশাসন পৰিচয় — পুৰন্দৰ গগৈ।

ইংৰাজী গ্ৰন্থ ঃ

1) Avasthi, Amreswar, & Avasthi, Anand Prakash (1999). *Indian Administration.* Agra:Lakshmi Narain Agarwal.

2) Bhagwan, Vishnoo, & Bhushan, Vidya.(2007). *Public Administration*. New Delhi:S.Chand & Company Ltd.

4) Maheshwari, S.R. (2003). *Indian Administration*. New Delhi:Orient Longman.

৩.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ 'জ্ঞানবিদ' আৰু 'জ্ঞান বিশেষজ্ঞ' বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰখনৰ দুটা সহজবোধ্য শব্দ। জ্ঞানবিদসকল বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জ্ঞানৰ ক্ষেত্ৰত বহল দৃষ্টিভংগীৰ অধিকাৰী হয়। তেওঁৰ কোনো ক্ষেত্ৰৰ অন্তৰ্গত এটা নিৰ্দিষ্ট বিষয়ৰ জ্ঞান নাথাকিলেও বিষয় বা সমস্যাটো সম্বন্ধে এক বহল দৃষ্টিভংগী গ্ৰহণ কৰি এটা সাধাৰণ উপদেশ বা মত প্ৰদান কৰিব পাৰে। জ্ঞানবিদ এগৰাকীয়ে উচ্চ পৰ্যায়ৰ সহযোগিতা তথা উদ্দেশ্য সাধনত গুৰুত্ব প্ৰদান কৰে। সাধাৰণতে জ্ঞানবিদ এজনে প্ৰশাসনৰ মধ্য স্তৰৰ উচ্চ পৰ্যায়ত অথবা উচ্চ স্তৰৰ নিম্ন পৰ্যায়ত কাৰ্যনিৰ্বাহ কৰে। গ্ৰেট ব্ৰিটেইনত এনেধৰণৰ সেৱাসমূহৰ শ্ৰেণীক প্ৰশাসনীয় শ্ৰেণী বোলে। প্ৰশাসনীয় সেৱাত প্ৰৱেশ কৰা জ্ঞানবিদ এজন সাহিত্য, বুৰঞ্জী, সমাজ বিজ্ঞান, পদাৰ্থ বিজ্ঞান, জীৱবিজ্ঞান, অংকশাস্ত্ৰ, বাণিজ্য, একাউণ্টেন্সি, ইঞ্জিনীয়াৰিং অথবা মেডিকেল যিকোনো বিভাগৰ স্নাতক উত্তীৰ্ণ শিক্ষাৰ্থী হ'ব পাৰে। স্নাতকৰ বিষয় অনুসৰি তেওঁ সাধাৰণতে পৰিকল্পনা